**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-04-2026
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

অহা ৪ মে’ত ৰাজ্যৰ ৩৫ খন জিলাৰ মুখ্য কাৰ্যালয়ত পুৱা ৮ বজাৰ পৰা বিধানসভা নিৰ্বাচনৰ ভোটগণনা কৰা হ’ব। ইয়াৰ বাবে নিৰ্বাচন আয়োগে যাৱতীয় প্ৰস্তুতি চলাই আছে। ভোটগণনা প্ৰক্ৰিয়াত নিয়োজিত হ’বলগীয়া বিষয়া-কৰ্মীসকলৰ প্ৰশিক্ষণ আৰম্ভ হৈছে।

অসমৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেল আজি যোৰহাট নিৰ্বাচনী জিলাত উপস্থিত হৈ ভোটগণনা প্ৰক্ৰিয়াৰ বাবে চলোৱা প্ৰস্তুতিৰ বুজ লয়। মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে যোৰহাট নিৰ্বাচনী জিলাৰ অন্তৰ্গত চাৰিওটা বিধানসভা সমষ্টিৰ বাবে নিৰ্ধাৰিত ভোটগণনা কেন্দ্ৰ তথা ষ্ট্ৰংৰূমসমূহ পৰিদৰ্শন কৰে।

আনহাতে যোৰহাট নিৰ্বাচনী জিলাৰ ভোটগণনা প্ৰক্ৰিয়া আৰু আইন শৃংখলা পৰিস্থিতি সন্দৰ্ভত আজি জিলাখনৰ আৱৰ্ত ভৱনৰ সভাগৃহত এখন বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত জয় শিৱানীৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত ভোটগণনা প্ৰক্ৰিয়া শৃংখলাবদ্ধভাৱে সম্পন্ন কৰা সন্দৰ্ভত আলোচনা কৰা হয়।

ইপিনে গোৱালপাৰা জিলাৰ ৪টা বিধানসভা সমষ্টিৰ ভোটগণনাৰ বাবে জিলা প্ৰশাসনে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। ভোটগণনাত জড়িত হ’বলগীয়া বিষয়াসকলৰ প্ৰশিক্ষণ জিলা প্ৰশাসনে আজি আৰম্ভ কৰে।

০০০০

চলিত বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাৰ ফলাফল কাইলৈ ঘোষণা কৰা হ’ব। যোৱা ১১ ফেব্ৰুৱাৰীৰ পৰা ১৬ মাৰ্চলৈ অনুষ্ঠিত উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত এইবাৰ ৩ লাখ ৩০ হাজাৰ ৭৪৪ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। ইয়াৰে কলা শাখাত ২ লাখ ৪৭ হাজাৰ ৮৬৫ গৰাকী, বিজ্ঞান শাখাত ৬১ হাজাৰ ৫৬৮ গৰাকী আৰু বাণিজ্য শাখাত ১৯ হাজাৰ ৮০৬ গৰাকী পৰীক্ষাত অৱতীৰ্ণ হৈছিল। ০০০০

০০০০

গুৱাহাটী মহানগৰীৰ বি বৰুৱা মহাবিদ্যালয়ৰ সন্মুখত আজি সন্ধিয়া সংঘটিত এটা পথ দুৰ্ঘটনাত এখন অচিনাক্ত তীব্ৰবেগী বাহনৰ খুন্দাত এগৰাকী মহিলাৰ মৃত্যু হয়। মৃত্যু হোৱা মহিলাগৰাকী সীতা দেৱী বুলি চিনাক্ত কৰা হৈছে। মহিলাগৰাকীয়ে পথ অতিক্ৰম কৰিবলৈ চেষ্টা কৰোতে বাহনখনে খুন্দা মাৰে বুলি আমাৰ সংবাদদাতাই জনাইছে। গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত মহিলাগৰাকীক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হয় যদিও চিকিৎসাধীন অৱস্থাতে তেওঁৰ মৃত্যু হয়। ইতিমধ্যে পলটন বজাৰ আৰক্ষীয়ে পলায়ন কৰা বাহনখনৰ সন্ধানত তদন্ত আৰম্ভ কৰিছে।

০০০০

গুৱাহাটী মহানগৰীত মঠঘৰীয়াৰ বিজি তিনিআলীত পথ দুৰ্ঘটনাত মৃত্যু হোৱা ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে ৰখাই থোৱা ট্ৰাকখনৰ চালক সুভাষ পাটৰক আজি আটক কৰিছে।

আনহাতে, ডিব্ৰুগড় আৰক্ষীয়ে লাহোৱাল আৰক্ষীৰ সহযোগত আজি দুৰ্ঘটনাগ্ৰস্ত বাহনখনৰ চালক চামিম আহমেদকো গ্ৰেপ্তাৰ কৰিছে। এই দুৰ্ঘটনা সংঘটিত হোৱাৰ পাছৰে পৰা চামিম আহমেদ পলাতক অৱস্থাত আছিল। আৰক্ষীয়ে লাহোৱালত আত্মগোপন কৰি থকা অৱস্থাত চামিম আহমেদে ব্যৱহাৰ কৰা মোবাইল ফোনৰ লোকেচনৰ জৰিয়তে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়।

০০০০

উত্তৰ-পূব সীমান্ত ৰে'লৰে সুৰক্ষা বাহিনীয়ে ২০ৰ পৰা ২২ এপ্ৰিললৈ চলোৱা মাদক দ্ৰব্য বিৰোধী অভিযানত ২৯ লাখ টকাৰো অধিক মূল্যৰ প্ৰায় ৬০ কিলোগ্ৰাম ভাং জব্দ কৰে। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা মতে ভাংখিনি সৰবৰাহৰ সৈতে জড়িত তিনিজন লোকক আটক কৰি ৰে'লৰে আৰক্ষীক গতাই দিয়া হয়। ৰে'লৰে সুৰক্ষা বাহিনীয়ে ২০ এপ্ৰিলত নিউ জলপাইগুৰি ৰে'লৰে ষ্টেচনত চলোৱা দুটা পৃথক অভিযানত প্ৰায় ৩২ কিলোগ্ৰাম ভাং জব্দ কৰে। একেদৰে ২১ এপ্ৰিলত আগৰতলা ৰে'লৰে ষ্টেচনত চলোৱা আন এটা অভিযানত ২১ কিলোগ্ৰামৰো অধিক ভাঙৰ সৈতে দুজন লোকক আটক কৰে। একেটা ষ্টেচনতে ২২ এপ্ৰিলত অভিযান চলাই সুৰক্ষা বাহিনীয়ে ৬ কিলোগ্ৰাম ভাং জব্দ কৰাৰ লগতে এজন লোকক আটক কৰে।

০০০০

ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকাৰী তথা অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকাৰীৰ নিৰ্দেশমৰ্মে দৰং জিলাত অহা ৯ মে'ত ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন কৰা হৈছে। এই লোক আদালতৰ জৰিয়তে বিভিন্ন ফৌজদাৰী, দেৱানী, পাৰিবাৰিক, মটৰ দুৰ্ঘটনা সম্পৰ্কীয় গোচৰ, ৰাজহ সংক্ৰান্তীয় গোচৰ আদিৰ ব্যয়হীন খৰতকীয়া নিষ্পত্তিৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি বেংকৰ লেনদেন সম্পৰ্কীয় গোচৰ, টেলিফোন বিল, বিদ্যুৎ মাছুল সম্পৰ্কীয় বিবাদসমূহো নিষ্পত্তি কৰা হ'ব। জনসাধাৰণৰ সুবিধাৰ্থে এনে গোচৰসমূহৰ আগতীয়া শুনানিৰো ব্যৱস্থা কৰা হৈছে। জিলাখনৰ আগতীয়াকৈ জাননী লাভ কৰা লোকসকলে জিলা আইন সেৱা প্ৰাধিকাৰীৰ কাৰ্যালয়ৰ সৈতে যোগাযোগ কৰি অথবা ই-মেইলযোগে এই সুবিধা ল'ব পাৰিব। জাননী লাভ নকৰা লোকসকলে দৰং জিলা কোষাগাৰৰ সমীপত থকা জিলা আইন সেৱা প্ৰাধিকাৰীৰ কাৰ্যালয়ত যোগাযোগ কৰি বিবাদ নিষ্পত্তিৰ সুবিধা ল'ব পাৰিব।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত দেলহী কেপিটেলছ, ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। দেলহী কেপিটেলছে প্ৰথমে বেটিং কৰাৰ আমন্ত্ৰণ লাভ কৰি ১৬ অভাৰ ৩ টা বলত আটাইকেইটা উইকেট হেৰুৱাই ৭৫ ৰান সংগ্ৰহ কৰে।

প্ৰত্যুত্তৰত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুয়ে আমাৰ বাতৰি যুগুতোৱাৰ পৰলৈকে এক অভাৰত ৭ ৰান কৰি খেলি আছে।

০০০০

ঃঃ সমাপ্ত ঃঃ